# লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান'

**গল্পকাৰৰ পৰিচয় ঃ** আৱাহন যুগৰ বিশিষ্ট গল্পকাৰ, নাট্যকাৰ, সমাজ সংগঠক, ভাৰতীয় মুক্তি সংগ্ৰামৰ এগৰাকী সাহসী কৰ্মী, সমাজ সংস্কাৰক লক্ষ্মীধৰ শৰ্মাৰ জন্ম হয় ১৮৯৭ চনত বৰ্তমান শোণিতপুৰ জিলাৰ ভীৰগাঁৱত। স্বৰ্গদেউ ৰুদ্ৰসিংহই হিন্দুধৰ্ম গ্ৰহণ কৰি অসমৰ সত্ৰ-দেৱালয় আদিৰ পৰিচালনাৰ বাবে উত্তৰ ভাৰতৰ পৰা বহু উচ্চ বৰ্ণ হিন্দু পৰিয়াল অসমলৈ অনায়। বিশ্বনাথ দেৱালয়লৈ নাভাৰ পৰা অনোৱা ব্ৰাহ্মণ হলধৰ শৰ্মাৰ ঔৰষত জন্ম হোৱা লক্ষ্মীধৰ বৰদেউতাক ফণীধৰ বৰুৱাৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয়।

১৯০৪ চনত প্ৰাইমাৰী পৰীক্ষাত বৃত্তি লৈ উত্তীৰ্ণ হোৱা লক্ষ্মীধৰ শৰ্মাই তেজপুৰ চৰকাৰী হাইস্কুল, কটন কলেজিয়েট, কটন কলেজ আৰু কলিকতাত শিক্ষা গ্ৰহণ কৰিছিল। শৈশৱতে মেধাৰ পৰিচয় দিয়া লক্ষ্মীধৰে স্নাতকোত্তৰ (এম.এ) পৰীক্ষা পাছ কৰা সময়লৈকে পৰীক্ষাত কৃতকাৰ্যতাৰ বাবে নটা সোণৰ আৰু ৰূপৰ পদক পাইছিল। তেওঁৰ মেধাৱী গুণৰ বাবে শিক্ষকসকলৰ পৰা যথেষ্ট মৰম আৰু প্ৰশংসা বুটলিছিল। ড° বাণীকান্ত কাকতিয়ে তেখেতৰ *পুৰণি অসমীয়া সাহিত্য* নামৰ পুথিখনি 'উদাৰ প্ৰতিভাশালী পুৰণি ছাত্ৰ লক্ষ্মীধৰ শৰ্মাৰ কৰুণ সোঁৱৰণিত' অৰ্পণ কৰিছে। এই প্ৰসংগত তেখেতে লেখিছে— "মোৰ মৰমৰ পুৰণি ছাত্ৰ ঁলক্ষ্মীধৰ শৰ্মা এম.এ. বি.এল. দেৱ আমাৰ কলেজৰ তৃতীয় বাৰ্ষিক ইংৰাজী অনাৰ্চ শ্ৰেণীৰ ছাত্ৰ আছিল। প্ৰতিভাশালী ঁলক্ষ্মীধৰে কোমল বয়সতেই পুৰণি অসমীয়া সাহিত্যৰ মোল উপলব্ধি কৰি সেই বিষয়ে আলোচনা কৰিবলৈ সদায় মোৰ ওচৰলৈ অহা-যোৱা কৰিছিল। পিছৰ কালত আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য বিষয়ত এম.এ. পৰীক্ষা দি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি বিশ্ববিদ্যালয়ৰ সোণৰ পদক লাভ কৰি আধুনিক ভাৰতীয় তথা অসমীয়া সাহিত্যৰ গুণগ্ৰাহিতাৰ যথেষ্ট পৰিচয় দিছিল। মহাকালৰ নিষ্ঠুৰ অকাল গৰাহত ঁলক্ষ্মীধৰৰ

প্ৰতিভা মাৰ গ'ল যদিও তেওঁৰ করুণ স্মৃতি মোৰ মনত সদায় সজীৱ হৈ থাকিব।" ভাষাচাৰ্য ড° বাণীকান্ত কাকতিৰ এনে মন্তব্যৰ যোগেদি লক্ষ্মীধৰ শৰ্মাৰ বিশাল পাণ্ডিত্যৰ আভাস পাব পাৰি।

১৯১৬ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত গুৱাহাটীত 'অসম ছাত্র সন্মিলনী'ৰ অধিবেশনত লক্ষ্মীধৰ শৰ্মাই সক্রিয় সহযোগ আগবঢ়ায়। তদুপৰি ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিবেশনতো তেওঁ আছিল অক্লান্ত কৰ্মী। তেখেতৰ ৰাজনৈতিক কাৰ্যকলাপৰ বাবে ৰাজৰোষত পৰি চাৰিবাৰকৈ কাৰাবাস খাটিবলগা হৈছিল।

লক্ষ্মীধৰ শৰ্মাই সমাজ উন্নয়নৰ হেতু সংস্কাৰমূলক কামত আত্মনিয়োগ কৰিছিল। সেইসময়ত তেজপুৰত দেখা দিয়া হাইজা ৰোগাক্রান্ত লোকক শুশ্রূষা কৰাৰ লগতে গাঁওবাসীক মহামাৰীৰ প্ৰতি সজাগতা বৃদ্ধি কৰিছিল। হিন্দু, মুছলমান, অসমীয়া-অনা অসমীয়া, ব্ৰাহ্মণ শূদ্ৰৰ মাজত থকা প্ৰাচীৰ আঁতৰাই সকলোকে মানুহ জ্ঞান কৰা লক্ষ্মীধৰ শৰ্মাই কৈৱৰ্ত গাঁৱত বিনাদ্বিধাই মৃতকৰ সৎকাৰ কৰিছিল। অন্যায়ৰ প্ৰতিবাদত গৰজি উঠা এইগৰাকী মহান ব্যক্তি ১৯২৭ চনত দেশভক্ত তৰুণৰাম ফুকনৰ কন্যা প্ৰতিভা দেৱীৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। কিন্তু বিয়াৰ তিনি বছৰৰ পিছত অৰ্থাৎ ১৯৩০ চনত পত্নীৰ অকাল মৃত্যু হোৱাত শোকত ম্ৰিয়মান হৈ তেখেতে পৰিয়ালৰ অজ্ঞাতে চিটাগং হৈ বাৰ্মাত পদাৰ্পণ কৰে। তাতে বন্ধু সুৰেশ ভট্টাচাৰ্যৰ লগত *ৰেঙ্গুন মেইল* কাকতৰ সম্পাদনাত সহায় কৰে।

১৯৩৩ চনত দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ দেহত যক্ষ্মাৰোগ ধৰা পৰে। ১৯৩৪ চনৰ ৩ মে'ত শ্বিলঙৰ লাইমুখ্ৰাত দেহাৱসান ঘটে।

জনগণৰ মুক্তি সংগ্ৰামত লিপ্ত লক্ষ্মীধৰ শৰ্মাই ৰাজনৈতিক আৰু সামাজিক কৰ্মৰ সমান্তৰালভাৱে সাহিত্য চৰ্চাও কৰিছিল। তেখেতৰ সাহিত্যৰাজিৰ ভিতৰত *জীৱন-স্মৃতি, ব্যৰ্থতাৰ দান, নিৰ্মলা, দেশৰ কথা* আদি মুষ্টিমেয় কেইখনমান পুথিহে প্ৰকাশিত হৈছে। অপ্ৰকাশিত অৱস্থাতেই তেওঁৰ কেইবাখনো পুথি হেৰায়। *আৱাহন* আলোচনীতেই তেওঁৰ প্ৰায়বোৰ গল্পৰ প্ৰকাশ হৈছিল। *প্ৰজাপতিৰ ভুল, হৃদয়ৰ মূল্য, সতী জয়মতী* আদি নাটকো *আৱাহনত* প্ৰকাশ হয়।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য প্ৰতিভাৰ পৰা অনুপ্ৰেৰণা লৈ সাহিত্য চৰ্চাত মনোনিবেশ কৰা লক্ষ্মীধৰ শৰ্মাৰ সাহিত্যৰাজিৰ মাজত প্ৰকাশ হৈছে অসমীয়া সংস্কৃতি তথা জাতিৰ প্ৰতি থকা দায়বদ্ধতা। তেখেতৰ সৃষ্টি সংস্কাৰবাদী চিন্তাৰ বলিষ্ঠ প্ৰকাশ। তদুপৰি তেওঁৰ লেখনিৰ মাজেদি প্ৰতিফলিত হৈছে সৰ্বভাৰতীয় গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ স্বাধীনতা সংগ্ৰামৰ উদাৰ আৰু সংগ্ৰামী চেতনা, নাৰীৰ স্বাধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ।

*আৱাহন* আৰু অন্যান্য আলোচনীত লক্ষ্মীধৰ শৰ্মাৰ ভালেসংখ্যক গল্প প্ৰকাশ পাইছে। তেওঁৰ *ব্যৰ্থতাৰ দান* এখন উৎকৃষ্ট গল্প সংকলন। জৈৱিক সমস্যাক কেন্দ্ৰ কৰিয়েই তেওঁৰ সৰহ সংখ্যক গল্প ৰচিত হৈছে। অৱশ্যে জৈৱিক সমস্যাৰ প্ৰাধান্য থাকিলেও সামাজিক দুৰ্বলতাৰ প্ৰতি তেওঁ সচেতন। কিছুমান গল্পত সংস্কাৰকামী মনোভাবো প্ৰকাশ পাইছে। তাৰ সমান্তৰালভাৱে মনস্তাত্বিক দিশটোকো সজীৱ কৰি তুলিছে।

**'ব্যৰ্থতাৰ দান' গল্পটোৰ কাহিনী আৰু ঘটনা বিন্যাস ঃ**

প্ৰথম পুৰুষত বৰ্ণিত 'ব্যৰ্থতাৰ দান' গল্পৰ নায়িকা লিলি হাকিমৰ একমাত্ৰ কন্যা। তিনিটা পুত্ৰ সন্তানৰ মাজত এজনী জীয়াৰী। তাতে আকৌ আঢ্যৱন্ত পৰিয়ালৰ। ৰাজকন্যাৰ দৰে ডাঙৰ হোৱা লিলিৰ দৈহিক সৌন্দৰ্যই বহু পুৰুষক আকৰ্ষিত কৰে। তাৰ উমান পায় দিনক দিনে লিলিৰ মনত অহংকাৰে খোপনি পুতে। তাই যে দেখিবলৈ ধুনীয়া সেই কথা সৰুৰে পৰা লিলিৰ মনত বদ্ধমূল হৈ আছিল। অন্যহাতে বিদ্যালয়তো সুখ্যাতিৰে উত্তীৰ্ণ হোৱাত লিলি যে বুদ্ধিমতীও সেই ধাৰণাও মনত দৃঢ় হৈ পৰিল।

গৰমৰ বন্ধত ককায়েকৰ লগত এজন বন্ধু তেওঁলোকৰ ঘৰত ফুৰিবলৈ আহে। ল'ৰাজনৰ সুন্দৰ চেহেৰা, আচাৰ-ব্যৱহাৰে লিলিৰ হৃদয়ত এক বুজাব নোৱৰা অনুভূতিৰ জন্ম দিলে। দুয়ো দুয়োৰে প্ৰতি আকৰ্ষিত হ'ল। লিলিৰ সৌন্দৰ্যই তেওঁক মুগ্ধ কৰাৰ কথা জানিব পাৰি তাই আনন্দিত হ'ল। কিন্তু তেওঁ তেওঁলোকৰ ঘৰৰ পৰা যোৱাৰ পিছত লিলিৰ মনৰ পৰা সেই স্মৃতি আঁতৰি যাবলৈও বেছি দিন নালাগিল।

লিলিৰ সৌন্দৰ্যৰ খ্যাতি সমগ্ৰ ডিব্ৰুগড়তে বিয়পি পৰিল। বহু পুৰুষে তেওঁৰ সুন্দৰতাৰ আৰাধনা কৰিলে। তেওঁৰ জীৱনলৈ অহা কোনোজন পুৰুষে কিন্তু তেওঁৰ হৃদয়ত প্ৰেমৰ সঞ্চাৰ কৰিবলৈ সক্ষম নহ'ল। এদিন বাহ্যিক জাকজমকতাৰে শিৱসাগৰৰ এজন ধনী ব্যক্তিলৈ বিয়া হ'ল। যিজন ব্যক্তিৰ লগত লিলিৰ হৃদয়ৰ সম্পৰ্কই নহ'ল। বাগিচাৰ মালিক তাই স্বামীৰ অলপ অহংকাৰ, অলপ গৰ্ব, অলপ ব্যৱসায় বুদ্ধিয়েই তেওঁৰ জীৱনটোৰ সমস্ত আছিল। পত্নী লিলিৰ সৌন্দৰ্যৰ পূজাৰী আছিল। য'ত লিলিয়ে নতুনত্বৰ আমেজ নাপালে মাথোঁ হৈ পৰিল কামনাৰ সহচৰী। অন্যহাতে ধনীৰ দুহিতা লিলি এখন ঘৰৰ মালিকনী হৈ, তেওঁৰ নিৰ্দেশত ঘৰখন চলাব পৰা হৈ আৰু অলপ অহংকাৰৰ পৰিমাণটো বাঢ়ি গ'ল।

লিলিৰ স্বামীৰ ঘৰৰ নিচেই কাষতে তৰুহঁতৰ ঘৰ। তৰুৰ দেউতাক শিৱসাগৰ মহকুমাধিপতি। যিখন ঘৰক সকলোৱে সমীহ আৰু সন্মান কৰি আহিছে। তৰুক লগ পাই লিলিয়ে প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে যে তৰু লিলিতকৈ বহুগুণে ধুনীয়া। কিন্তু লিলিৰ দৰে তৰুৰ সৌন্দৰ্যৰ খ্যাতি পুৰুষৰ মুখত শুনিবলৈ পোৱা নাছিল। হয়তো আঢ্যৱন্ত ঘৰখনৰ বাবে তৰু পুৰুষৰ দৃষ্টিৰ পৰা আঁতৰত আছিল। যি কি নহওক তৰুৰ

প্ৰতি লিলিৰ মনত ঈৰ্ষাৰ জন্ম হ'ল। অৱশ্যে তৰুৰ আন্তৰিকতাপূৰ্ণ ব্যৱহাৰে দুয়োৰে মাজত বন্ধুত্বৰ জন্ম দিলে।

লিলি বিয়া হৈ অহাৰ কিছুদিনৰ পিছত তৰুৰ বিয়াৰ কথা-বতৰা চলিল। তৰুৰ দেউতাকে নগাঁৱৰ ললিত বৰুৱা নামৰ এজন উকীললৈ বিয়া দিয়াৰ সিদ্ধান্ত ল'লে। গাঁৱৰ দুখীয়া ঘৰৰ ল'ৰা ললিতলৈ তৰুক বিয়া দিয়াৰ যো-জা কৰা কথা জানি সকলো আচৰিত হ'ল। তাতে দেখাতো ললিত সুগঢ়ী নহয়। কিন্তু তৰুৰ দেউতাকৰ সিদ্ধান্তক কাৰো প্ৰতিবাদে সলাব নোৱাৰিলে। মানুহৰ কথা-বাৰ্তাই তৰুৰ মনটোকো বিষণ্ণ কৰি তুলিলে। লিলি নিশ্চিত হ'ল যে তৰুৱে সাংসাৰিক জীৱনত সুখ নাপায়। সকলোৱে উৎকণ্ঠাৰে বিয়াৰ দিনটোলৈ অপেক্ষা কৰিলে।

কন্যাৰ সাজতো তৰুৰ অপ্ৰসন্ন মনটো লিলিৰ চকুত পৰিল। বিয়াৰ দিনা ৰাতি লিলিয়ে ললিতক দেখিলে। গাৰ বৰণ মিঠা বৰণীয়া। ওখ ক্ষীণোৱা অলপ। দাঁত দুটাও অলপ ওজলা। মুখখন সৰু ল'ৰাৰ দৰে সৰল। দৰাৰ ৰূপটো ললিতৰ দৰিদ্ৰতা প্ৰকট হৈ পৰিছে। তৰুৰ প্ৰতি লিলিৰ সহানুভূতি জন্মিল। বিবাহৰ সকলো কাম ললিতে দ্বিধাহীনভাৱে কৰি গৈছে। তাকে দেখি আয়তীসকলে দৰাৰ নিলৰ্জতাৰ বিষয়ে যোৰানাম গাইছে। হোমযজ্ঞৰ অন্তত দৰা-কন্যাক ভিতৰলৈ নিয়া হ'ল। কাঁহী খেলা অনুষ্ঠানৰ মাজতে লিলিয়ে ক'লে— "হাকিমৰ ছোৱালী একা, দৰখাস্ত দিলেই যে নিজৰ ফালে ৰায় পাব, এনে আশা নাই, গতিকে সাৱধান।" প্ৰত্যুত্তৰত লিলিৰ ফালে চাই ললিতে ক'লে— "হাকিমৰ শিলৰ হিয়াকো আমি গলাব পাৰোঁ, কাছাৰীৰ আবৰণহীনতাৰ মাজত। আৰু ঘৰৰ চুকত অকলে পাই যে তেখেতসকলৰ কন্যাৰ কোমল মন গলাব পাৰিম সেই বিষয়ে নিজৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে।" এই বুলি কৈ ললিতে হাঁহিলে। যি হাঁহিত কোনো কুটিলতা নাই। যেন দেৱশিশু এটিৰ নিষ্পাপ মনৰ সৰল হাঁহি। ললিতৰ সেই হাঁহি চকুৰ মোহনীয় আভাই মুখখন উজ্জ্বল কৰি তুলিছে। লিলি বিস্ময়াভিভূত হৈ পৰিল। অচিনাকি ললিতৰ সৰলতাই সকলোকে মুগ্ধ কৰিলে।

তিনিমাহমানৰ পিছত তৰুক দেউতাকে কিছুদিনৰ বাবে তাইক ঘৰলৈ আনিলেগৈ। তৰু ঘৰলৈ অহাৰ খবৰ পাই লিলিয়ে তাইক চাবলৈ ল'ৰালৰিকৈ গ'ল। তৰু এনেয়ে অপূৰ্ব। এতিয়া তাইৰ দেহত, চকু-মুখত অন্য এক লাৱণ্য ফুটি উঠিছে। লিলি নিশ্চিত হ'ল যে তৰু স্বামীক লৈ যথেষ্ট সুখী। পিছদিনাই তৰুৱে স্বামী ললিতৰ পৰা এখন চিঠি পালে। বৰকৈ ধৰাত চিঠিখন লিলিক পঢ়িবলৈ দিলে। ভাবৰ গভীৰতা, ভাষাৰ চাতুৰ্যতাই লিলিক মুগ্ধ কৰিলে। তৰু দেউতাকৰ ঘৰত থকা কেইদিনত লিলিৰ আগত ললিত সম্পৰ্কে প্ৰায় সকলো কথাই ক'লে।

সেই বছৰ সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত হয় ডিব্ৰুগড়ত। সভাৰ সভ্য হিচাপে

ললিত অধিৱেশনলৈ যায়। সেই সময়ত লিলিও মাকৰ ঘৰত আছিল। লিলিহঁতৰ ঘৰলৈ অহা ললিতৰ লগত বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰিলে। ললিতৰ ব্যক্তিত্বই লিলিক আকৰ্ষিত কৰিলে। তেওঁ গুচি যোৱাৰ পিছত লিলিয়ে হৃদয়ত এক বিষ অনুভৱ কৰিলে। ললিতৰ সৰলতাভৰা মুখখনে, তেওঁৰ চকুযুৰিৰ সৌন্দৰ্যই আপ্লুত কৰিলে। ললিতৰ স্পৰ্শ পোৱাৰ এক তীব্ৰ কামনা জাগি উঠিল।

হঠাৎ এদিন তৰুৰ অসুখৰ খবৰ পাই দেউতাকে শিৱসাগৰৰ ঘৰলৈ লৈ আনিলে। লগত ললিতো আহিল। ডাক্তৰ কবিৰাজে অসুখ ধৰিব পৰা নাই। তৰুৰ খবৰ পাই লিলি তৰুক চাবলৈ গ'ল। এটা কোঠাত শুই থকা তৰুৰ কাষত বহি তাইৰ হাত দুখনত সাবটি অপলক নেত্ৰে মুখলৈ চাই ললিতো বহি আছে। তৰুৰ মুখত ক্লেশৰ চাপ নাই। কিবা এটা স্বৰ্গীয় তৃপ্তি চকুৰে মুখে ফুটি উঠিছে। তৰুৰ প্ৰতি লিলি ঈৰ্ষা দুগুণে বাঢ়িল। তৰু সুস্থ হৈ নুউঠিল। তৰুৰ মৃত্যুৱে ললিতৰ জীৱনলৈ পৰিৱৰ্তন আনিলে। ললিতৰ ভগ্ন হৃদয়ৰ শোকাতুৰ মুখখন দেখিলে লিলিৰ চকুলো ওলায়। সকলোৱে অলক্ষিতে কান্দি কান্দি মনৰ দুখ পাতলায়।

সময় অতিবাহিত হোৱাৰ লগে লগে ললিতো সুস্থিৰ হ'ল। পূৰ্বৰ দৰে মুখত হাঁহি। দুচকুত আনন্দৰ আভা। কিন্তু লিলিৰ চকুত ললিতৰ বুকুত থুপ খাই থকা বিষাদৰ ছবিখন স্পষ্ট ৰূপত ধৰা দিছিল। যিমানেই ললিতৰ সংগ লাভ কৰে সিমানেই ললিতক ওচৰৰ পৰা পোৱাৰ হাবিয়াস তীব্ৰতৰ হৈ উঠে। অনুভৱ হ'ল ললিতেহে যেন তাইৰ নাৰীত্বক জগাই তুলিছে। অব্যক্ত ভাৱনাবোৰ, আশাবোৰ চিঠিৰ যোগেদি প্ৰকাশ কৰিলে ললিতৰ ওচৰত। কিন্তু চিঠিখন পোৱাৰ পিছতো ললিতে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। কোনো প্ৰত্যুত্তৰ নাপাই লিলিয়ে তেনেদৰে নিজক উদঙাই দিয়া কাৰ্যক ধিক্কাৰ দিলে। কল্পনাত ললিতৰ পৰা সঁহাৰি পাই মন ৰোমাঞ্চিত হৈ উঠে। মনৰ আবেগ দমন কৰিব নোৱাৰি পুনৰ ললিতলৈ প্ৰেম নিবেদন কৰি চিঠি দিয়ে।

পূজাৰ বন্ধত ললিতক পুনৰ লিলিয়ে লগ পালে। কিন্তু ললিত পূৰ্বৰ দৰেই স্বাভাৱিকভাৱে লিলিৰ লগত কথা-বাৰ্তা হৈছে। লিলিৰ মনে হাহাকাৰ কৰি উঠিছিল চিঠিৰ উত্তৰৰ বাবে। কিন্তু ললিতে সেই প্ৰসংগ ননাত নিজেই সুধিলে— "দুখন চিঠি দিলোঁ তাৰ এখনৰো উত্তৰ নাপালোঁ কিয়?" ললিতে গম্ভীৰভাৱে ক'লে— "স্নেহ সংসাৰত ইমান মূল্যহীন বস্তু নহয় যে তাৰ অৱমাননা মই কৰিম। আপোনাৰ স্নেহ মোৰ শিৰৰ মুকুট।" ক্ষন্তেকৰ বাবে আনন্দত আত্মহাৰা হৈ লিলিয়ে সুধিলে— "তেন্তে উত্তৰ নিদিলে কিয়?" "লিখিবলৈ একো নাই। মিছা কথা কৈ আপোনাক অপমান কৰিব নোৱাৰোঁ।" ললিতৰ কথাৰ অৰ্থ বুজিব নোৱাৰি লিলিয়ে সুধিলে— "বুজি নাপালোঁ, তেন্তে কি নাৰীৰ স্নেহৰ প্ৰয়োজন আপোনাৰ জীৱনৰ পৰা একেবাৰে লোপ পাইছে?"

ললিতে ক'লে— "এতিয়াও ক'ব নোৱাৰোঁ। সুদূৰ ভৱিষ্যতত হয়তো কাৰোবাৰ স্নেহৰ কাৰণে হৃদয় উদগ্ৰীৱ হৈ উঠিব। আজি দেহে নিজ প্ৰয়োজনত নাৰীক বিচাৰিব পাৰে হৃদয়ে বিচৰা নাই; আৰু সম্ভৱতঃ মোৰ হৃদয় চিৰকাললৈ ভাগি গৈছে।" দৈহিক প্ৰয়োজনতহে মাত্ৰ নাৰীক লাগে বুলি কোৱা কথাষাৰত লিলি খঙত জ্বলি উঠিল। কিন্তু ৰাতি সপোনত ললিতৰ স্নেহভৰা দুবাহুৰ মাজত সোমাই থকাৰ মধুৰতম স্মৃতিয়ে সকলো খং ধূলিসাৎ কৰি পেলালে। ললিতৰ ওচৰত নিজক সমৰ্পণ কৰিবলৈ লিলি ব্যাকুল হৈ পৰিল। এজন পুৰুষৰ বাবে যে এদিন তাই উদভ্ৰান্ত হৈ পৰিব কল্পনাৰো অগোচৰ আছিল। পুনৰ হাতত কলম তুলি ল'লে ললিতলৈ চিঠি লেখিবৰ বাবে। হৃদয়ৰ সমস্ত আকুলতাৰে মনৰ ভাব লিখিলে। অশান্ত হৃদয়ৰ তাগিদাত সেইদিনা ৰাতি ললিতক নিমন্ত্ৰণ কৰিলে। চিঠিখন ঘৰৰ লগুৱাটোৰ হাতত দি পঠালে। চিঠিখন দিয়াৰ পিছত মনটোক নানা চিন্তাই ভাৰাক্ৰান্ত কৰি তুলিলে। একো উত্তৰ দি পঠোৱা নাই। তাইৰ আহ্বানক স্বীকাৰ কৰা যেন বোধ হ'ল। অথচ নিশ্চিত হ'বৰ বাবে পুনৰ লগুৱাটোক ললিতৰ ওচৰলৈ কিবা উত্তৰ আছেনে সুধিবলৈ পঠালে। সি পুনৰ একো উত্তৰ নাই বুলি কোৱাত লিলি আনন্দত আত্মহাৰা হৈ উঠিল। সমগ্ৰ শৰীৰত মৃদু কম্পন হ'ল। বাগিচাৰ পৰা গোলাপ ফুল আনি নিজ হাতেৰে ফুলদানি সজালে। শুৱনি কোঠাটো সুগন্ধি দ্ৰব্যৰে সুৰভিত কৰিলে। বিচনাত নতুন কাপোৰ পাৰিলে। নিজকো অতি মোহনীয় কৰি সজালে। শুৱনি কোঠাত এখন চকীও স্বপ্নৰ কোঁৱৰলৈ সজালে। কেৰাচিন তেলৰ চাকিৰ পোহৰত তেওঁলোকৰ মিলন ম্লান হোৱাৰ শংকাত গোন্ধ তেলৰ চাকি জ্বলালে। ৰূপৰ গিলাচত চৰবৎ ৰাখিলে। মুঠতে ললিতক আদৰিবলৈ ৰাজ অভিষেকৰ দৰে প্ৰস্তুতি কৰিলে। যিমানেই নিশা গভীৰ হৈ আহিছে সিমানেই উত্তেজনাও বৃদ্ধি পাইছে। কল্পনাতে ললিতৰ লগত হোৱা মিলনৰ কথা ভাবি আত্মতৃপ্তিত বিভোৰ হৈ পৰিছে। ললিত নাহিব নেকি তেনে এক ভাবেও মনক ক্ৰিয়া কৰিছে। কিন্তু পিছ মুহূৰ্ততে মনক প্ৰবোধ দিছে যে এজনী সুন্দৰী নাৰীৰ এনে প্ৰস্তাৱক পুৰুষে উপেক্ষা কৰিব নোৱাৰে। তিনি বাজিল। ললিত সেই পৰ্যন্ত নহাত লিলিৰ মুখখন শুকাই আহিছে। গোটেই সংসাৰ যেন শ্মশানত পৰিণত হ'ল। ললিতৰ ঘৰৰ পৰা এটা মানুহ ওলোৱা যেন দেখি লিলিৰ মুখখন পুনৰ জোনাক হৈ পৰিল। কিন্তু মানুহজন আকৌ সোমাই পৰিল। লিলিৰ ধৈৰ্যৰ বান্ধ খোল খাই গ'ল। ললিতলৈ আৰু অপেক্ষা নকৰি বিচনাত পৰিল। কিন্তু তেতিয়াও তেওঁৰ পদধ্বনিৰ শব্দ শুনিবলৈ কাণ দি ৰ'ল। পুৱা পাঁচ বাজিল। ললিত নাহিল ললিতৰ পৰা এনে অপমান পাই লিলি খঙত আৰু দুখত কান্দি-কাটি অস্থিৰ হৈ পৰিল। নিজ হাতেৰে সজোৱা গোলাপ কেইপাহে যেন উপহাস কৰিলে তাইক। সকলো দলিয়াই কাপোৰ কানি আঁজুৰি খুলি পেলালে।

সেই অনাকাংক্ষিত নিশাটোৱে লিলিৰ হৃদয়ৰ পৰা ললিতৰ প্ৰতি থকা ভালপোৱা শেষ কৰি দিলে। তাৰ পৰিবৰ্তে ভীষণ ঘৃণা আৰু প্ৰতিশোধে বাহ লৈছে। ললিতক বধ কৰাৰ এক হিংস্ৰ ভাবো মনলৈ আহিল। তেনেতে ললিতক সিহঁতৰ ঘৰলৈ অহা দেখিলে। লিলিয়ে কোনোধৰণৰ সম্ভাষণ নকৰি বহি থাকিল। ললিতৰ মুখত সেই একেই স্নিগ্ধ হাঁহি। সেই হাঁহিয়ে লিলিৰ গা আৰু জ্বলাই দিলে। ললিতে গম্ভীৰভাৱে ক'লে— "বৌদেউ, আজি ঘৰলৈ যামগৈ। বিদায় ল'বলৈ আহিলোঁ।" লিলিয়ে 'বাৰু' বুলি কোৱাত নমস্কাৰ জনাই ললিত গুচি গ'ল। লিলিয়ে প্ৰতি নমস্কাৰ জনোৱা সৌজন্যতাকণো নেদেখুৱালে। কিন্তু সেইদিনা শহুৰেকে ললিতক যাবলৈ নিদিয়া কথা লিলিয়ে শুনা পালে।

দুপৰীয়া লিলিৰ স্বামী ঘৰত আছিল। খাই বৈ দুয়ো বিশ্ৰাম কৰাৰ সময়ত প্ৰতিশোধ ল'বৰ বাবে লিলিয়ে স্বামীক ক'লে— "ললিতে মোক অপমান কৰিছে। মোলৈ প্ৰেমৰ চিঠি লিখিছে আৰু মোৰ ওচৰত অসৎ প্ৰস্তাৱ কৰিছে।" কিন্তু লিলিৰ স্বামীয়ে কথাটো বিশ্বাস কৰিবলৈ টান পালে। কিছু পৰ লিলিৰ মুখলৈ চাই ক'লে— 'ললিতে এই কাম কৰিছে? বৰ আচৰিত! তেওঁক যে আমি সকলোৱে ভাল মানুহ বুলি জানো।" লিলিৰ খং দুগুণে চৰিল। তাই খণ্ডত ম্ৰিয়মান হৈ ক'লে— 'তেন্তে মই মিছা কৈছোঁ। পুৰুষ মানুহ সকলো সমান। কাৰো বিশ্বাস নাই। যদি ইয়াৰ প্ৰতিবিধান নকৰে—" লিলিৰ স্বামীক তাই বশ কৰিব জানে। তেওঁ কিবা ব্যৱস্থা কৰিব বুলি লিলিক প্ৰতিশ্ৰুতি দিলে।

আবেলিলৈ লিলি স্বামী আৰু ললিতক একেলগে ওলাই যোৱা দেখি লিলিয়ে অধিক আগ্ৰহেৰে তেওঁলোক ওভতি অহলৈ বাট চালে। সন্ধ্যা ঘুৰি আহি লিলিক ক'লেহি— "বান্দৰক ভালকৈ শুনাই দি আহিছোঁ আৰু তেনে কৰিলে চাবুক দি ঠিক কৰি দিম।" লিলিয়ে ললিতৰ প্ৰত্যুত্তৰ জানিবলৈ ব্যগ্ৰ হৈ সুধিলে— "ললিতে কি কৈফিয়ৎ দিলে?" ললিতে নিশ্চুপ হৈ থাকিল বুলি কোৱাত লিলি হতভম্ব হৈ পৰিল। মিছা অপবাদ নিৰ্বিবাদে স্বীকাৰ কৰি লোৱা কাৰ্যই লিলিক খুলি খাবলৈ ধৰিলে। এই অপমানৰ যন্ত্ৰণা লিলিৰ বাবে অসহ্যকৰ হৈ পৰিল।

বৰদিনৰ বন্ধত শিৱসাগৰত হোৱা প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ বৈঠকলৈ ললিত আহিল। গুৱাহাটীৰ ফুকন ডাঙৰীয়াও সেই উপলক্ষে শিৱসাগৰলৈ আহিছে। তেখেতক সন্মান জনাবলৈ আয়োজন কৰা চাহ মেললৈ চলিহা ডাঙৰীয়াই লিলি আৰু স্বামীকো নিমন্ত্ৰণ জনালে। চাহ মেলত পুনৰ ললিতৰ লগত সাক্ষাৎ হ'ল। ললিতৰ নিৰ্বিকাৰ ব্যৱহাৰে লিলিক আচৰিত কৰি তুলিলে। এই অপমানৰ বোজা লিলিৰ বাবে অসহ্যকৰ হৈ পৰিছে। কোনো এক মুহূৰ্তত নিজকে শেষ কৰি দিয়াৰ চিন্তাও কৰে। পিছদিনা লিলিৰ স্বামী কলিকতালৈ গ'ল। তেতিয়াৰ পৰা লিলি আৰু অস্থিৰ হৈ উঠিল। ললিতক নিজেই এবাৰ অপমান কৰাৰ কথা ভাবি ললিত থকা কোঠাৰ ফালে আগবাঢ়িল। সেই

সময়ত ললিতে এখন কিতাপ পঢ়ি আছিল। অকস্মাৎ লিলিক দেখি হাঁহি মাৰি ক'লে— "আজি অকল গৌৰীৰহে আগমণ। আমাৰ বৰ সৌভাগ্য।" সেই হাঁহিয়ে লিলিৰ মুখৰ বৰণ সলাই দিলে। তেওঁৰ মুখ দেখি ললিতো স্তব্ধ হৈ গ'ল। লিলিৰ আহ্বান অস্বীকাৰ কৰি নীৰৱ হৈ থাকি তেওঁৰ নাৰীত্বক অপমান কৰাৰ কাৰণে ললিতক দোষাৰোপ কৰিলে। লিলিৰ হৃদয়ৰ ক্ৰন্দন অনুভৱ কৰি ললিতৰো চকুৱে মুখে বিষাদে আৱৰি ধৰিছে। ললিতৰ মুখখন দেখি লিলিৰ খং কেনিবাদি উৰি গ'ল। ললিতৰ প্ৰতি স্নেহত, কৰুণাত, সহানুভূতিত হিয়া গলি গ'ল। লিলিয়ে উপলব্ধি কৰিলে ললিতে প্ৰেয়সী নাৰীৰেই উপাসনা কৰিছে। তেওঁৰ হৃদয়ৰ বেদীত তৰুৱে বিৰাজ কৰি আছে। সেয়ে ললিতক পোৱাৰ সাৰ্থকতাৰ ভিতৰেদি লাভ কৰিব নোৱাৰে। ব্যৰ্থতাৰ সুৰত ললিতৰ জয় গান গায়েই লিলিয়ে জীৱনক সন্তুষ্ট ৰাখিব লাগিব। কিন্তু লিলিৰ আশা তাইৰ আজিৰ এই ব্যৰ্থ পূজা এদিন সাৰ্থক হৈ উঠিব। ইয়াতেই গল্পটোৰ সমাপ্তি হৈছে।

**'ব্যৰ্থতাৰ দান' গল্পৰ বিশ্লেষণ ঃ**

'ব্যৰ্থতাৰ দান' গল্পৰ বিষয়বস্তু সাধাৰণ আৰু অজটিল। এগৰাকী নাৰীৰ মনস্তত্ত্ব, কাৰুণ্য আৰু যৌন কামনা গল্পটোৰ মূল উপজীব্য। প্ৰথম পুৰুষত বৰ্ণিত গল্পটোৰ মুখ্য চৰিত্ৰ তথা নায়িকা লিলিয়ে নাটকীয়ভাৱে গল্পৰ আৰম্ভণিতে তেওঁৰ নাৰীত্বক পুৰুষে কৰা অপমানৰ আভাস দি মূল কাহিনীৰ মাজলৈ অগ্ৰসৰ হৈছে। আত্মীয়স্বজন পৰিয়ালৰ লিলিৰ দেহৰ ৰূপ সৌন্দৰ্যক লৈ সকলোৱে কৰা প্ৰশংসাই লিলিক অজানিতে অহংকাৰী কৰি তোলে। যাৰ পৰিণতিত হৃদয়ত প্ৰেমৰ মিঠা শিহৰণ অনুভৱ নকৰাকৈ এজন ধনী দেউতাকৰ ধনী পুত্ৰৰ লগত বিয়া হৈ যায়। লিলিৰ জীৱনলৈ ললিত নহা পৰ্যন্ত হৃদয়ৰ আহ্বান, জীৱনৰ সাৰ্থকতা অনুভৱ কৰা নাছিল। ললিতৰ অসাধাৰণ ব্যক্তিত্বই লিলিৰ নাৰীত্বক প্ৰথমবাৰলৈ জাগ্ৰত কৰিলে। সেয়ে সামাজিক বন্ধনকো একাষৰীয়া কৰি দেহ-মনৰ আহ্বানত ললিতক নিবিড়ভাৱে পোৱাৰ আকৰ্ষণ তীব্ৰতৰ হৈ পৰিল। কিন্তু ললিতৰ দ্বাৰা উপেক্ষিতা লিলিৰ হৃদয়ত এক নতুন দৰ্শনৰ জন্ম হ'ল। গল্পকাৰে কৌশলপূৰ্ণভাৱে নাটকীয়তাৰে লিলিৰ ভগ্ন হৃদয়ৰ ছবিখন প্ৰকট কৰি তুলিছে "মোৰ হৃদয়ে ললিতক পোৱাৰ সাৰ্থকতাৰ ভিতৰেদি লাভ কৰিব নোৱাৰে। ব্যৰ্থতাৰ সুৰত ললিতৰ জয় গান গায়েই মোৰ জীৱনক সন্তুষ্ট ৰাখিব লাগিব। মুহূৰ্তলৈকে যে এই অপৰূপ, মহৎ হৃদয়ৰ অনন্ত সৌন্দৰ্য মোৰ আগত মূৰ্ত হৈ উঠিল। সেই সৌন্দৰ্যৰ স্মৃতিয়েই মোৰ সম্বল। জীৱন দেৱতা, হয়তো মোৰ আজিৰ ব্যৰ্থ পূজা কোনোবা কল্পনাত সাৰ্থক হৈ উঠিব।" সেই সময়ৰ চুটিগল্প হিচাপে 'ব্যৰ্থতাৰ দান' লক্ষ্মীধৰ শৰ্মাৰ সাৰ্থক সৃষ্টি। চুটিগল্পত যিদৰে কাহিনী হঠাৎ আৰম্ভ হয় সেইদৰে 'ব্যৰ্থতাৰ দান' গল্পটোৰ কাহিনী আৰম্ভ হৈছে। ঘটনাৰ অগ্ৰগতিয়ে পাঠকৰ মনত উদ্বেগ, উৎকণ্ঠাৰ সৃষ্টি কৰিছে

যি গল্পৰ শেষলৈকে অটুট আছে। গল্পকাৰৰ বৰ্ণনাৰ চাতুৰ্যতা, ভাষাৰ সু-প্ৰয়োগে গল্পৰ কলেবৰ দীঘল যদিও পাঠকক বিৰক্তিবোধ জন্মোৱা নাই।

আৱাহন যুগৰ প্ৰথম চাম গল্প লেখকৰ ভিতৰত অন্যতম লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' এক উৎকৃষ্ট সংযোজন। তেওঁৰ গল্পত জৈৱিক আদিম প্ৰবৃত্তিৰ প্ৰভাৱ, সমাজৰ অন্ধ গোড়ামি, ব্যক্তিৰ সুখ-দুখৰ প্ৰতি সমাজৰ উদাসীনতা প্ৰকাশ হৈছে। আকৰ্ষণীয় চৰিত্ৰাঙ্কন, সমাজ সচেতনতা, জটিল মনোবিশ্লেষণ, উৎসুক, ভাষাৰ তীব্ৰতাই তেওঁৰ গল্পসমূহক এক নতুন মাত্ৰা প্ৰদান কৰিছে। লক্ষ্মীধৰ শৰ্মাই এহাতে চৰিত্ৰৰ মনস্তাত্ত্বিক বিশ্লেষণ আৰু আনহাতে সামাজিক চেতনাসম্ভূত আদৰ্শৰে গল্প ৰচনা কৰি আৱাহন যুগৰ গল্পক এক ভিন্ন স্বাদ প্ৰদান কৰিলে। তেঁৱেই অসমীয়া গল্প সাহিত্যত ফ্ৰয়েদৰ যৌন মনস্তত্ত্বৰ সোঁত বোৱায়। 'ব্যৰ্থতাৰ দান' গল্পত লিলি চৰিত্ৰৰ যোগেদি ৰোমাণ্টিক কল্পনা, নাৰী মনস্তত্ত্ব আৰু দৈহিক বাসনা স্পষ্ট ৰূপত প্ৰকাশ পাইছে। লিলিৰ মনোজগতৰ বিচিত্ৰ স্বৰূপ প্ৰকাশ পাইছে গল্পটোত।

তদানীন্তন পুৰুষতান্ত্ৰিক সমাজখনত নাৰীৰ স্থান সম্পৰ্কেও গল্পটোত এক ইংগিতধৰ্মী দৃশ্য প্ৰতিফলিত হৈছে। ললিতৰ লগত তৰুৰ বিয়া সন্দৰ্ভত সকলোৱে চিন্তিত হৈ পৰিছে। কাৰণ ললিত কাৰো চিনাকি নহয়। সেই লৈ তৰুৰ মনটোও বিষণ্ণ। এই বিয়াই তৰুক যে সুখী কৰিব নোৱাৰে সেই কথা লিলিয়ে মাকক কোৱাত প্ৰত্যুত্তৰত ক'লে— "সেইবোৰ কথা মোতকৈ যি বহুগুণে বুজে তেঁৱেই সকলো স্থিৰ কৰিব। মই তাত হাত নিদিওঁ।" এনে মন্তব্যই হাকিমনীৰ মনৰ ক্ষোভ, অসহায়তাৰ লগতে পুৰুষে নাৰীক কৰি ৰখা দমন প্ৰকাশ পাইছে।

অসমীয়া সংস্কৃতিত বিবাহ এক তাৎপৰ্যপূৰ্ণ অনুষ্ঠান। বিবাহৰ লগত অনেক লোক সাংস্কৃতিক কাৰ্যও জড়িত হৈ আছে। 'ব্যৰ্থতাৰ দান' গল্পত হোম দিয়া, মন্ত্ৰ মতা আদি বৈদিক ৰীতি-নীতি, যোৰানাম গোৱা, কাঁহী খেলা আদি সামাজিক অনুষ্ঠানে লোক সংস্কৃতিৰ ভঁৰাল সমৃদ্ধিশালী কৰি ৰখা বিবিধ দিশ পোহৰলৈ আহিছে।

'ব্যৰ্থতাৰ দান' গল্পটো দৰাচলতে মনস্তত্ত্ব প্ৰধান গল্প। লিলি চৰিত্ৰৰ মাজেদি নাৰী মনস্তত্ত্ব বিভিন্ন দিশ পোহৰলৈ আহিছে। লিলি এগৰাকী বিবাহিতা নাৰী। ধনীৰ দুহিতা লিলিৰ স্বামীও বাগিচাৰ মালিক। সেয়ে অলপ গৰ্ব, অহংকাৰ, ব্যৱসায় বুদ্ধিয়েই তেওঁৰ জীৱনৰ সমস্তখিনি পুৰাই ৰাখিছিল। সাহিত্য, শিল্প, সংস্কৃতিৰ প্ৰতি কোনো আগ্ৰহ নাছিল। অৱশ্যে পত্নী লিলিৰ ৰূপৰ প্ৰশংসা তেওঁৰ কণ্ঠই অনবৰতে নিগৰিত হৈছিল। কিন্তু তাত লিলিয়ে নতুনত্ব বিচাৰি পোৱা নাছিল। তেওঁৰ স্বামীয়ে লিলিৰ অন্তৰৰ সুপ্ত নাৰীত্বক জাগ্ৰত কৰিব পৰা নাছিল। বৈবাহিক জীৱনত থকা এই সুৰুঙাই লিলিক ললিতৰ প্ৰতি আকৰ্ষিত কৰিছিল। সেই সময়ত লিলিয়ে সামাজিক বন্ধন, স্বামীৰ মৰমকো একাষৰীয়া

কৰি মনৰ আবেগক, হৃদয়ৰ আকাংক্ষাক গুৰুত্ব দি ললিতৰ ওচৰত প্ৰেম ভিক্ষা কৰিছে। কিন্তু ললিতৰ পৰা সঁহাৰি নাপাই তেওঁৰ মনত ক্ষোভ আৰু প্ৰতিশোধৰ ভাব তীব্ৰতৰ হৈ উঠিছে।

নাৰীৰ এক সহজাত স্বভাৱ হৈছে অন্য নাৰীৰ প্ৰতি ঈৰ্ষা জন্মা লিলি যে দেখিবলৈ শুৱনি, তেওঁৰ সৌন্দৰ্যৰ পূজা কৰিবলৈ বহু পুৰুষ আগ্ৰহী সেই ধাৰণাই তেওঁৰ মনত খোপনি পুতি আছিল। শিৱসাগৰলৈ বিয়া হৈ আহি তৰুক যেতিয়া লগ পায় তৰুৰ অপৰূপ লাৱণ্যই লিলিৰ মনত অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিছে। "মোৰ মনত অশান্তিৰ সৃষ্টি কৰা নাই এনে নহয়, ঈৰ্ষাৰ উষ্মাই মোৰ মাজে মাজে কষ্ট দিবলৈ এৰা নাই।" তৰুৰ প্ৰতি লিলিৰ মনত জন্মা হিংসাৰেই ই পৰিচায়ক। এনেধৰণৰ মনস্তত্ত্ব প্ৰকাশ পোৱাৰ উপৰিও লিলি চৰিত্ৰত আৰু অধিক মনস্তাত্ত্বিক সত্যতাৰ সম্ভেদ পোৱা যায়। তৰু ৰোগাক্ৰান্ত হৈ শৰ্যাত পৰি থকাৰ সময়ত ললিতে তৰুৰ মূৰত হাত বুলাই থকা দেখি লিলি ঈৰ্ষাত জ্বলি পুৰি মৰি কৈছে— "তৰুৰ প্ৰতি ঈৰ্ষাত মোৰ গোটেই অন্তৰ ভৰি গ'ল। ইমান দিনে সজ্ঞানে মই তৰুৰ প্ৰতি ঈৰ্ষান্বিত হোৱা নাই। কিন্তু আজি মৰণ-পথৰ পথিক তৰুৰ সৌভাগ্য দেখি মোৰ গা জ্বলি উঠিল।"

ঈৰ্ষাই প্ৰতিশোধৰ জন্ম দিয়ে। তৰুৰ মৃত্যুৰ পিছত ললিতৰ প্ৰতি লিলিৰ মনত সহানুভূতিৰ উদ্ৰেক হ'ল। লাহে লাহে ললিতৰ স্পৰ্শ পাবলৈ; তাইৰ নাৰীত্বক জাগ্ৰত কৰি তোলা ললিতৰ প্ৰতি হৃদয়ত যি অনুকম্পাৰ সৃষ্টি হ'ল তাক ললিতৰ ওচৰত প্ৰকাশ কৰিলে। ললিতে কোনো আগ্ৰহ নেদেখুৱাত লিলিৰ মনত প্ৰতিশোধৰ দাবানল জ্বলি উঠিল। "আজি মোৰ হৃদয়ৰ পৰা ললিতক ভাল পোৱাৰ ভাব দূৰ হৈ গ'ল। তাৰ ঠাইত এটা ভীষণ ঘিণ, এটা ভীষণ প্ৰতিহিংসাৰ ভাৱে ঠাই লৈছে। পাৰিলে ললিতক মই নিজ হাতেৰে বধ কৰিলোহেঁতেন। এনে এটা হিংস্ৰ ভাৱো মনলৈ আহিবলৈ ধৰিলে।"— ইয়াৰ দ্বাৰা লিলিৰ মনোজগতৰ বিচিত্ৰ ৰূপৰ স্বৰূপ সহজে অনুধাৱন কৰিব পাৰি।

লিলিয়ে স্বামীৰ দ্বাৰা ললিতক কৰ্থনা কৰাৰ পিছতো ললিতে লিলিক স্বাভাৱিক ব্যৱহাৰ কৰাত অপমানৰ যন্ত্ৰণাত দিন কটায়। সেয়ে এদিন সুযোগ পাই লিলিয়ে ললিতক অনেক কথা শুনালে। প্ৰত্যুত্তৰ দিয়াৰ বিপৰীতে নীৰৱ হৈ থকা ললিতৰ বেদনাত ক'লা পৰি যোৱা মুখখন দেখি লিলি মূক হৈ পৰিল। ললিতৰ প্ৰতি কৰুণাত, স্নেহত, সহানুভূতিত হিয়া গলি গ'ল। ইয়াতেই নাৰীমনৰ কোমলতা প্ৰকাশ পাইছে। উল্লেখযোগ্য যে গল্পৰ নায়িকা লিলিৰ আচৰণত ওপৰে ওপৰে চালে কেৱল দৈহিক কামনাৰ অসংযত প্ৰকাশেই দেখা যায়; কিন্তু ললিতৰ দ্বাৰা প্ৰত্যাখ্যাতা হোৱাৰ পিছত তাইৰ মনত যি ধৰণৰ প্ৰতিক্ৰিয়া বা অনুভূতিৰ সৃষ্টি হৈছে সি যৌন তৃপ্তিতকৈ উচ্চতাৰ অন্য প্ৰয়োজনৰ আভাসহে দিছে।

সাহিত্য, সংস্কৃতিৰ প্ৰতি থকা লিলিৰ ধাউতি, আনফালে সেইবোৰৰ ফালে পিঠি দিয়া তাইৰ গিৰিয়েক। এই মানসিক প্ৰভেদেই লিলিক সংস্কৃতিবান, ব্যক্তিত্বশীল ললিতৰ প্ৰতি আকৰ্ষিত কৰিছিল। নাৰীৰ মনৰ পূৰ্ণতা কেৱল শাৰীৰিক সন্তুষ্টিয়েই নহয়। লিলি যেন অসংস্কৃতিবান গিৰিয়েকৰ প্ৰতি প্ৰতিবাদৰ প্ৰতীক স্বৰূপ।

গল্পটোৰ নামকৰণতেই এক গভীৰ সত্য অৰ্ন্তনিহিত হৈ আছে। শৈশৱৰ পৰাই নিজৰ সৌন্দৰ্যৰ প্ৰতি থকা অহংবোধে, যাক সকলো পুৰুষেই পূজা কৰিব বুলি হোৱা ভ্ৰান্ত ধাৰণা, ললিতৰ দ্বাৰা প্ৰত্যাখিত হোৱাৰ অন্তত বদ্ধমূল ধাৰণাবোৰ নাইকিয়া হ'ল। তাৰ বিপৰীতে পুৰুষে নাৰীক কৰা সন্মান, প্ৰেমৰ মহানুভৱতা উপলব্ধি কৰিলে। ই যেন 'ব্যৰ্থতাৰ মহান দান' স্বৰূপ।

গল্প এটাৰ ঘটনাক পৰিণতিৰ ফালে আগুৱাই নিয়াৰ ক্ষেত্ৰত সংঘাত বা দ্বন্দৰ প্ৰয়োজন হয়। 'ব্যৰ্থতাৰ দান' গল্পত লিলি ললিতৰ প্ৰতি আকৰ্ষিত হোৱাৰ লগে লগে সেই সংঘাত আৰম্ভ হৈছে। লিলিয়ে আবেগ দমন কৰিব নোৱাৰি হৃদয়ৰ সমস্ত ঢালি ললিতলৈ দিয়া চিঠিৰ কোনো প্ৰত্যুত্তৰ নোপোৱাত মানসিক সংঘাতে মূৰ দাঙি উঠিছে। এই সংঘাত তীব্ৰতৰ হৈ উঠিছে তেতিয়া যেতিয়া ললিতে লিলিৰ আমন্ত্ৰণ ৰক্ষা কৰা নাছিল। গল্পটোত অন্তৰ্দ্বন্দ বৰ্হিদ্বন্দ দুয়োটাৰে সংযোগ ঘটিছে। লিলিয়ে গিৰিয়েকৰ দ্বাৰা ললিতক কৰা অপমানত বৰ্হিদ্বন্দৰ আভাস পোৱা যায়।

লক্ষ্মীধৰ শৰ্মাই লিলিৰ চৰিত্ৰৰ যোগেদি নাৰীৰ মনস্তত্ত্বক সাৱলীল ৰূপত দাঙি ধৰিছে। চৰিত্ৰটো গল্পকাৰৰ কল্পনাৰ সৃষ্টি হ'লেও তাক নিজৰ দক্ষতাৰে জীৱন্ত কৰি তুলিছে। ইয়াতেই গল্পকাৰৰ সাৰ্থকতা।

**চৰিত্ৰ বিশ্লেষণ ঃ**

গল্পটোৰ কেন্দ্ৰীয় তথা মুখ্য চৰিত্ৰ লিলি। যিগৰাকী নাৰীৰ জীৱনৰ এক অভিজ্ঞতাক গল্পটোত উপস্থাপন কৰা হৈছে। ফ্ৰয়েডীয় মনস্তত্ত্বৰ প্ৰভাৱ পৰা গল্পটোত লিলি চৰিত্ৰৰ যোগেদি নাৰী মনস্তত্ত্বৰ কেতবোৰ দিশক চিত্ৰিত কৰা হৈছে। ধনীৰ দুহিতা, ধনী স্বামীৰ পত্নী হৈ লিলি অহংকাৰী হৈ উঠে। অন্যহাতে তাইৰ চৌপাশৰ মানুহবোৰে তাইৰ ৰূপ-সৌন্দৰ্যক কৰা প্ৰশংসায়ো লিলিক গৰ্বিত কৰি তোলে। কিন্তু লিলিৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা ধাউতি, নাৰী মনৰ কোমলতাই চৰিত্ৰটোক উজ্বল কৰি তুলিছে। তদুপৰি ললিতে যেতিয়া কৈছিল যে দেহৰ প্ৰয়োজনত নাৰীক বিচাৰিলেও হৃদয়ে নিবিচাৰে তেতিয়া লিলিয়ে কৰা অপমানবোধ বা তাইৰ যি মানসিক দ্বন্দ্ব সিয়েই চৰিত্ৰটিক জীৱন্ত কৰি তুলিছে।

'ব্যৰ্থতাৰ দান' এটা মনস্তাত্বিক গল্প। গল্পকাৰে কাহিনীৰ দাবীতেই হওক বা নাৰীৰ মনস্তত্ত্বক উদঙাই দিয়াৰ প্ৰয়োজনতেই হওঁক লিলিৰ চৰিত্ৰৰ মাজেদি নাৰীৰ স্বভাৱসুলভ

ঈৰ্ষা, প্ৰতিশোধৰ স্পৃহাও প্ৰকাশ পাইছে। লিলিয়ে সাংসাৰিক জীৱনৰ পৰা সুখ পোৱা নাছিল। লিলিৰ ভাষাত— "মোৰ লগত তেওঁৰ সম্বন্ধ বৈচিত্ৰ্যহীন। মই তেওঁৰ কামনাৰ সহচৰী আৰু তেওঁৰ কণ্ঠত মোৰ ৰূপৰ স্তুতিমুখৰ হৈ উঠিছিল। পুৰুষৰ মুখত মোৰ ৰূপৰ জয়গান, তাত নতুনত্ব একো নাছিল। অন্য দহজন স্তাৱকৰ দৰে তেৰোঁ এজন। প্ৰভেদ মই তেওঁৰ কামনাৰ সংগী। মোৰ কামনাৰ কথা নক'লেই ভাল। তাৰ ফুল মোৰ জীৱনত ফুলি উঠাই নাই হ'বলা। সাহিত্য, শিল্প, সংগীত, ভাস্কৰ্যাদিৰ আলোচনাই বা ধাৰণাই মোৰ স্বামীৰ মূৰত ঠাই পোৱাৰ কথা দেখা বা শুনা নাই। কোৱা বাহুল্য মোৰ স্বামীৰ মানসিক উৎকৰ্ষই মোক তেওঁৰ প্ৰতি আকৃষ্ট কৰিব পৰা নাছিল।" দেখা যায় লিলি আৰু গিৰিয়েকৰ মাজৰ এই মানসিক ব্যৱধানেই লিলিক ললিতৰ ব্যক্তিত্বৰ প্ৰতি আকৰ্ষিত কৰি তুলে। এগৰাকী নাৰীৰ মনৰ পূৰ্ণ সন্তুষ্টি কেৱল যে শাৰীৰিক সম্পৰ্কই আনিব নোৱাৰে সিয়েই তাৰ বহিঃপ্ৰকাশ। তদুপৰি অসংস্কৃতিবান গিৰিয়েকৰ প্ৰতি লিলিৰ প্ৰতিবাদ বুলিবও পাৰি।

গল্পকাৰে লিলিৰ আত্মকথনৰ দ্বাৰা কাহিনী বৰ্ণনা কৰিছে। সূত্ৰধাৰৰূপী লিলিয়ে ললিতৰ দ্বাৰা প্ৰত্যাখিত হৈ অৰ্থাৎ লিলিৰ আকাংক্ষা ব্যৰ্থ হোৱাৰ সত্ত্বেও এক মহান দান লাভ কৰিলে। প্ৰাপ্তিতকৈ অপ্ৰাপ্তিৰ প্ৰতি মানুহৰ আকৰ্ষণ অধিক। যদিহে লিলিৰ আকাংক্ষাক ললিতে পূৰণ কৰিলেহেঁতেন তেন্তে লিলিয়ে প্ৰেমৰ সৌন্দৰ্য, প্ৰেমৰ মহানুভৱতা উপলব্ধি কৰিব নোৱাৰিলেহেঁতেন। অন্যহাতে লিলিয়ে সামাজিক ৰীতি-নীতিক একাষৰীয়া কৰি ললিতৰ প্ৰতি যি আচৰণ কৰিছে সি লিলিৰ মনত কোনো পাপবোধৰ সৃষ্টি কৰা নাই।

গল্পটোৰ অন্য এক উল্লেখনীয় চৰিত্ৰ হৈছে তৰুৰ স্বামী ললিত। পেছাত তেওঁ এজন উকীল। গাঁৱৰ দুখীয়া পৰিয়ালৰ ললিত ব্যক্তিত্বসম্পন্ন এজন ব্যক্তি। উকালতিৰ বাহিৰেও তেওঁ সাহিত্য-চৰ্চা কৰে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ললিত কিছু পৰিমাণে ধেমেলিয়া স্বভাৱৰ। তৰুৰ ভাষাত "কি উদাৰ তেওঁৰ মনৰ ভাৱ! কি আপোনভোলা মানুহ টকা-পইচা কেনেকৈ দুই হাতে অৰ্জন কৰি দুই হাতে বিলায়। মানুহৰ লগত কেনে সৰল ব্যৱহাৰ।" ললিতৰ দৰে এজন ব্যক্তিৰ লগত বিয়া হৈ সেয়ে তৰু যথেষ্ট সুখী।

ললিত এজন দায়িত্বশীল ব্যক্তিয়েই নহয় তেওঁ প্ৰেমৰ প্ৰকৃত পূজাৰীয়ো। তৰুৰ অকাল মৃত্যুৱে ললিতৰ জীৱনলৈ পৰিবৰ্তন আনিলে। তৰুৰ স্মৃতি সজীৱ হৈ ৰ'ল ললিতৰ জীৱনত। সেয়ে লিলিৰ দৰে এগৰাকী সুন্দৰী নাৰীৰ আহ্বানকো ললিতে প্ৰত্যাখ্যান কৰিব পাৰিছে। তৰুবিহীন ললিতৰ হৃদয়ত অন্য কোনো নাৰীৰ বাবে স্থান নহয়। যাক প্লেটনিক প্ৰেম বুলিব পাৰি।

ললিত চৰিত্ৰটো এটা আদৰ্শ পুৰুষ চৰিত্ৰ। গল্পকাৰে চৰিত্ৰটোৰ মানসিক অৱস্থাক বৰ্ণনাৰ মাজেৰে ফুটাই তোলা নাই যদিও লিলি আৰু ললিতৰ কথোপকথন লিলিৰ ওচৰত প্ৰদৰ্শন কৰা স্বাভাৱিক আচৰণৰ অন্তৰালত সুপ্ত হৈ আছে অন্তৰ্দ্বন্দ্বৰ বেথা। মৌনতাৰে ললিতে লিলিৰ কাৰ্যক প্ৰতিবাদ জনোৱাৰ লগতে উপলব্ধিৰ পথ সুগম কৰি তুলিছে। যি ললিতৰ ব্যক্তিত্বক অধিক আকৰ্ষণীয় কৰি তুলিছে।

গল্পটোৰ অন্য এক চৰিত্ৰ হৈছে লিলিৰ স্বামী। শিক্ষিত, চহকী এইজন ব্যক্তিক অসংস্কৃতিবান বুলিব পাৰি। কিন্তু তেওঁ পত্নীৰ সৌন্দৰ্যৰ পূজাৰী। তদুপৰি পত্নীয়ে তেওঁক সহজে বশ কৰিব পাৰে। যাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে লিলিয়ে। ললিতৰ প্ৰতি জন্মা প্ৰতিশোধ পূৰণৰ বাবে স্বামীক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। সেয়ে পত্নী লিলিৰ কথামতে ললিতক অপমান কৰিছে। যদিও গল্পটোত লিলিৰ গিৰিয়েকৰ উপস্থিতি সেৰেঙা। কিন্তু মূল কাহিনী বা ঘটনাৰ উৎস লিলিৰ গিৰিয়েক। কাৰণ লিলিয়ে তেওঁ স্বামীৰ শূন্যতাৰ অভাৱ হোৱাত ললিতৰ প্ৰতি আকৰ্ষিত হৈছে।

আৱাহন যুগৰ গল্পক সুকীয়া মাত্ৰা দান কৰা লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' এটা মনস্তাত্ত্বিক গল্প। তেখেতৰ বৰ্ণনাৰ চাতুৰ্যতা, সূক্ষ্ম পৰ্যৱেক্ষণ, ভাষাৰ সাৱলীলতাই গল্পটোৰ যি মূল উপজীব্য নাৰীৰ মনস্তত্ত্ব সি সুন্দৰ ৰূপত প্ৰতিভাত হৈছে।